# ৫০৫
# প্ৰাথমিক স্তৰত পৰিৱেশ শিক্ষাৰ প্ৰয়োজনীয়তা

## পাঠগোট - ১

## পাঠগোট ১ ঃ প্ৰাথমিক স্তৰত পৰিৱেশ শিক্ষাৰ প্ৰয়োজনীয়তা

## সংগঠন

১.০ পাতনি/আৰম্ভণী

১.১ শিকনীয় উদ্দেশ্য

১.২ পৰিৱেশক বুজি উঠা

১.৩ শিশুৰ বিকাশত পৰিৱেশৰ প্ৰয়োজনীয়তা

১.৪ শিশু আৰু পৰিৱেশৰ মাজত সম্পৰ্ক স্থাপন

১.৫. পৰিৱেশ শিক্ষাৰ উপযোগিতা

২.৬ সাৰাংশ

১.৭ অগ্ৰগতিৰ মূল্যায়নৰ বাবে চানেকী সমাধান

১.৮ Suggested Reading & references

১.৯ পাঠগোট মূল্যায়ন



টোকা

## ১.০ পাতনি/আৰম্ভণী ঃ

সমাজ অধ্যয়ন শিক্ষা বুলিলে বিভিন্নজনে বিভিন্ন মতামতেৰে ইয়াৰ ব্যাখ্যা ডাঙি ধৰে। কথাটো আমি কেইবাজনো অন্ধ মানুহৰ এটা হাতীৰ বিভিন্ন অংশ চুই কি চুইছে বুলি কৰা প্ৰশ্নসমূহৰ উত্তৰসমূহৰ দৰে। যেনে ধৰক যিয়ে হাতীৰ শূঁৰডাল চুইছে তেওঁৰ মতে এইটো এটা সাপ, যিয়ে ভৰিখন চুইছে তেওঁৰ মতে এইটো এটা স্তম্ভ, যিয়ে নেজডাল চুইছে তেওঁৰ মতে এইডাল এজন ৰছী। সকলোৰে স্পৰ্শ অনুভূতিৰ দ্বাৰা কৰা অনুভৱৰ উত্তৰ সঠিক হ'লেও কোনোৰে কিন্তু সম্পূৰ্ণ বৰ্ণনা ডাঙি ধৰিব নোৱাৰিলে। 'পৰিৱেশ' শব্দটোও ঠিক তেনেধৰণৰ এটা শব্দ য'ত সকলোৰে এটা নিজৰ সম্যক ধাৰণাহে ব্যক্ত কৰিব পাৰে। সেই ক্ষেত্ৰত তেখেতৰ অৰ্থ শুদ্ধ হ'ব পাৰে। এই ক্ষেত্ৰত কথাষাৰ Puzzle খেলৰ অংশৰ দৰে অনুভৱ হ'ব বুলি বুজাব পাৰো।

এই পাঠগোটৰ দ্বাৰা পৰিৱেশৰ সম্পৰ্কে অৰ্থভিত্তিক ধাৰণা আৰু ইয়াৰ পৰিসৰ সম্পৰ্ক সম্পূৰ্ণ ধাৰণা পাব। ইয়াৰ সহায়ত আমি কেনেদৰে জন্মলগ্নৰ পৰাই পৰিৱেশৰ দ্বাৰা প্ৰভাবান্বিত হওঁ আৰু মানুহে পৰিৱেশ কেনেদৰে ভাল বা বেয়া কৰিব পাৰে আলোচনা কৰা হয়। ল'ৰা-ছোৱালীবিলাকক তাহাতৰ সৰ্বাত্মক উন্নয়নৰ বাবে কিয় পৰিৱেশৰ মাজত ৰাখিব লাগে আৰু ইয়াক আৱিষ্কাৰ কৰাৰ সুবিধা দিব লাগে আৰু এই পদ্ধতিয়ে কিদৰে শিক্ষণ শিকন প্ৰক্ৰিয়াটোক এক সুস্থিৰ শিক্ষাৰ ভেটি গঠন কৰে তাক বুজিবলৈ সুবিধা পাব।

## ১.১ শিকন অৰ্হতা ঃ

এই পাঠগোটটোৱে আপোনাক নিম্নলিখিত দিশবোৰৰ ক্ষেত্ৰত সহায় কৰিব—

- পৰিৱেশৰ শুদ্ধ ব্যাখ্যা দিব পাৰিব।
- শিশুৰ শিক্ষা আৰু উন্নয়নৰ ক্ষেত্ৰত পৰিৱেশৰ ভূমিকাৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰিব।
- শিশুৰ নিচেই কাষৰ পৰিৱেশে কিদৰে তাৰ শিক্ষণ প্ৰক্ৰিয়াক প্ৰভাবান্বিত কৰে তাৰ ব্যাখ্যা দিব পাৰিব।

## ১.২ পৰিৱেশৰ অৰ্থ বুজি উঠা ঃ

পৰিৱেশ শব্দটো শুনাৰ লগে লগে মনলৈ অহা শব্দ দুটা ——— আৰু ————-



টোকা



পৰিৱেশৰ লগত সংযোজিত শব্দ তলৰ ফলকখনত লিখিবলৈ চেষ্টা কৰক।




প্ৰয়োজন সাপেক্ষে আৰু শব্দ সংযোজন কৰিব পাৰিব। পৰিৱেশ শব্দটো ফ্ৰান্স শব্দ (environner) শব্দটোৰ পৰা উৎপত্তি হৈছে যিয়ে আমাৰ চাৰিওকাষ বুজায়। অৰ্থাৎ ই আমাৰ চাৰিওফালে আবৰি থকা পৃথিৱীখনক বুজায়। আমাৰ চাৰিওকাষে দুটা পৰিৱেশ থাকে— ১। প্ৰাকৃতিক পৰিৱেশ ২। সামাজিক পৰিৱেশ।

গতিকে পৰিৱেশৰ পৰিধি অপৰিসীম। উদ্ভিদ প্ৰাণী, মানুহ, বায়ু, পানী, মাটি, শিল, গছগছনি সকলো পৰিৱেশৰ অন্তৰ্গত। আম আটায়ে এই পৰিৱেশতে একেলগে বাস কৰোঁ।

বহুল অৰ্থত পৰিৱেশ বুলিলে বিভিন্ন অৱস্থাৰ এক সংযোজিত অৱস্থা।

**প্ৰাকৃতিক পৰিৱেশ ঃ**

ই আমাৰ চাৰিওফালে থকা জীৱিত উদ্ভিদ, প্ৰাণী, মানুহ আৰু নিৰ্জীৱ পদাৰ্থ— বায়ু, পানী, মাটি, শিল আদিক আবৰি লয়। আমি জানো যে জীৱিত আৰু নিৰ্জীৱ পদাৰ্থবিলাক এটা আনটোৰ ওপৰত নিৰ্ভৰশীল যেনে বায়ু পানী আৰু (Nutrient) এই নিৰ্ভৰশীলতাৰ ফলত প্ৰাণী আৰু পৰিৱেশৰ মাজত বিভিন্ন বৰণৰ আদান প্ৰদান ঘটে।

**মানুহৰ দ্বাৰা তৈয়াৰী পৰিৱেশ ঃ**

মানুহে নিজৰ প্ৰয়োজনীয়তা পূৰাবলৈ প্ৰাকৃতিক পৰিৱেশক এটা নতুন ৰূপ দিয়ে। তাৰে ভিতৰত বাট-পথ, ঘৰ, উদ্যোগ, বান্ধ ইত্যাদি। সেইবোৰে মানুহৰ জীৱন যাত্ৰা প্ৰণালীক সুযোগ আৰু সুবিধা প্ৰদান কৰে।



টোকা

**সামাজিক সাংস্কৃতিক পৰিৱেশ ঃ**

ব্যক্তি, পৰিয়াল, প্ৰজাতি, ধৰ্ম, শিক্ষানুষ্ঠান, অৰ্থনৈতিক প্ৰতিষ্ঠান, ৰাজনৈতিক প্ৰক্ৰিয়া মিলি আমাৰ সামাজিক পৰিৱেশৰ সৃষ্টি হৈছে। সকলোবোৰ গোট, আৰম্ভণিতে এটা পৰিয়ালৰ পৰা সৃষ্টি হৈ বহল পৰিসৰত সামাজিক গোটৰ সৃষ্টি হৈছে যিয়ে প্ৰত্যেক ব্যক্তিক সমাজত সুনাগৰিক হৈ কিদৰে থাকিব লাগিব তাকে শিকায়।

নিৰ্দিষ্ট প্ৰাকৃতিক পৰিৱেশৰ মাজত থকা ব্যক্তিসকলৰ মাজত হোৱা বিভিন্ন আদান প্ৰদানৰ ফলত এটা জাতিৰ সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰে। সেয়েহে বিভিন্ন পৰিৱেশত থকা বিভিন্ন জাতিৰ সংস্কৃতিও বেলেগ বেলেগ। আমি কি খাও, কিদৰে খাও, আমাৰ সাজ-পোছাক, পৰম্পৰাই আমাৰ সংস্কৃতিৰ মূল চৰিত্ৰ আৰু ইয়াক সেই জাতিটোৱে বসবাস কৰা পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল।

কোনো এটা জাতিৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ বুলিলে সেই জাতিটোৰ মানদণ্ড, পৰম্পৰা, ৰীতিনীতি, ভাস্কৰ্য, বুৰঞ্জী, স্থানীয় ভাষা আদিকে সামৰি লয়।

মুঠৰ ওপৰত পৰিৱেশে ব্যক্তিজন আৰু তেওঁৰ চাৰিওফালটোক আবৰি লয়। কিছুমানে ইয়াৰ লগত আৰু এটা সংযোজন কৰে। তেওঁলোকৰ মতে ব্যক্তিজনৰ শৰীৰৰ বাহিৰ আৰু ভিতৰটোও পৰিৱেশৰ অন্তৰ্গত। সৰ্বমুঠ পৰিৱেশে আমাৰ শাৰীৰিক, ভৌগোলিক, জৈৱিক, সামাজিক, সংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক আদি দিশ সামৰি লয়।

চমুকৈ পৰিৱেশ বুলিলে প্ৰাকৃতিক, জৈৱিক, সামাজিক, ভৌগোলিক এই আটাইবোৰৰ দ্বাৰা প্ৰভাবান্বিত হৈ সৃষ্টি হোৱা বা বাচি থকা পদাৰ্থবিলাকক বুজায়। সেয়েহে জীৱিত পদাৰ্থ বা প্ৰজাতি, বায়ু, পানী, মাটি আৰু অন্যান্য জীৱিত পদাৰ্থ যিবোৰ কাৰণৰ দ্বাৰা সম্পূৰ্ণ বা আওপকীয়াকৈ প্ৰভাবান্বিত সকলোবোৰকে আবৰি লয়। অৰ্থাৎ পৰিৱেশ এক জটিল প্ৰক্ৰিয়া যি কিছুমান উপ প্ৰক্ৰিয়াৰ দ্বাৰা নিৰ্ধাৰিত হয়। আৰু এই উপ প্ৰক্ৰিয়াবোৰৰ নিৰবচ্ছিন্ন আদান প্ৰদানৰ ফলত পৰিৱেশ প্ৰতি মুহূৰ্ততে সলনি হ'ব পাৰে। অৰ্থাৎ উপ প্ৰক্ৰিয়াৰ সলনিৰ লগে লগে পৰিৱেশো সলনি হয়। যিহেতু 'পৰিবৰ্তনশীলতা'ই পৰিৱেশৰ প্ৰধান চৰিত্ৰ সেয়ে আমাৰ পৰিৱেশ সদায় পৰিবৰ্তনশীল ই কেতিয়াও স্থিৰ হ'ব নোৱাৰে।



টোকা

আমাৰ পৰিৱেশ ঃ




চিত্ৰ ঃ পৰিৱেশৰ বিভিন্ন অংশৰ মাজত থকা সম্বন্ধ

গতিকে word webৰ পৰা আমি ধৰিব পাৰিছো যে পৰিৱেশ শব্দটোৰ পৰিসৰ কিমান বহল ই অন্য কিছুমান উপ প্ৰক্ৰিয়া বা কাৰণৰ দ্বাৰাও প্ৰভাৱান্বিত হয়। সেয়েহে পৰিৱেশ বুলিলে আমি কেৱল সৰ্বমুঠ বুলি ক'লেই নহ'ব ই এটা যৌথ, জটিল আৰু নিৰবচ্ছিন্ন এক প্ৰক্ৰিয়া বুলি ক'লেহে ইয়াৰ আচল অৰ্থ ওলাব। পৃথিৱীৰ বিভিন্ন অংশই এটা পৰিৱেশ সৃষ্টি কৰে আৰু সেইবিলাকৰ মাজত নিৰবচ্ছিন্ন আদান প্ৰদান চলি থাকে। এই আদান প্ৰদান বিভিন্ন ধৰণৰ — এক সৰল নিৰ্ভৰশীলৰ পৰা এক জটিল যুগ্ম নিৰ্ভৰশীলতালৈকে বিস্তৃত হৈ থাকে।

পৰিৱেশৰ বিষয়বস্তু বুলিলে সকলোধৰণৰ বিষয় আৰু শাখাকে অন্তৰ্ভুক্ত কৰে আৰু সকলো স্তৰৰ সকলো বয়সৰ বস্তুকে সামৰি লয়।

**আত্ম মূল্যায়ন ঃ**

(ক) তলত দিয়া শব্দবোৰৰ পৰা পৰিৱেশ বুজোৱা তিনিটা শব্দ বাছি উলিওৱা।

সৰ্বমুঠ, স্থিৰ, প্ৰকাশ কৰা, যৌথ, আবৰি থকা, নিৰবচ্ছিন্ন, জৈৱিক আৰু অজৈৱিক, সামাজিক পৰিৱেশ, জীৱাশ্ম।

(খ) পৰিৱেশে কোন কেইটা শব্দ সামৰি নলয়?

আজৈৱিক, ভৌগোলিক আৰু জৈৱিক অৱস্থা, সমাজ, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰক্ৰিয়া, এটাও নহয়।

টোকা

## ১.৩ শিশুৰ বিকাশত পৰিৱেশৰ ভূমিকা ঃ

আমি আটায়ে দেখিছো যে জন্মৰ মুহূৰ্তৰ পৰাই আমি আমাৰ পৰিৱেশত থাকো, ডাঙৰ দীঘল হওঁ, ইয়াৰ পৰাই শিকো, ইয়াৰ ওপৰত নিৰ্ভৰ কৰো, ইয়ালৈ অবদান যোগাও, প্ৰভাবান্বিত হও আৰু সৃষ্টি কৰো। এয়া আজীৱন চলি থাকে।

শিশুসকলৰ শিক্ষা প্ৰথমেই তেওঁলোকৰ শৰীৰৰ প্ৰতি ল'ব লগা যত্নৰ পৰা আৰম্ভ হৈ লাহে লাহে বাঢ়ি নিজৰ গাতে লাগি থকা পৰিৱেশৰ- পৰিয়াল আৰু ঘৰ, ওচৰ চুবুৰীয়া, স্কুল আৰু তাৰ বাহিৰলৈ বাঢ়ি বাঢ়ি গৈ থাকে।

ঘৰৰ পৰাই শিক্ষা আৰম্ভ হয় যদিও স্কুলৰ লগতে নিজৰ চাৰিওফালে থকা ওচৰৰ মানুহবিলাকৰ সম্পৰ্কৰ পৰাও শিক্ষা লাভ হয়। ইয়াৰ দ্বাৰা তেওঁলোকে নিৰ্জীৱ পৰিৱেশৰ জ্ঞান পোৱাৰ লগে লগে বাহিৰৰ বিশালতা আৰু তাৰ সাধু কথা, গান-নাচ, পূজা পাৰ্বন আৰু পৰিয়াল বা সামাজিকভাৱে একগোট হৈ কৰা যুক্তি/কামৰ বিষয়ে অংশগ্ৰহণৰ দ্বাৰা নিজে নিজে শিকি উঠে।

প্ৰতিদিনেই শিশুসকলে প্ৰাকৃতিক পৰিৱেশৰ অনুভৱৰ দ্বাৰাও নতুন নতুন কথা উপলব্ধি কৰে যেনে — ঋতু পৰিবৰ্তন, শীত-তাপ, বৰষুণ, আকাশ, চন্দ্ৰ সূৰ্য, পানীৰ বিভিন্ন অৱস্থা আৰু প্ৰাণী ইত্যাদি। দুৰ্ভাগ্যবশতঃ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিৰ্ধাৰিত পাঠ্যক্ৰমৰ বাবে থকা ঘৰুৱা কাম, পৰীক্ষা ইত্যাদি বিভিন্ন নিৰ্ধাৰিত কামবোৰৰ বাবে প্ৰকৃত অৰ্থত শিশুসকলে প্ৰাকৃতিক পৰিৱেশক উদ্ভাৱন বা উপলব্ধি যিদৰে কৰিব লাগিছিল তেনেদৰে কৰাৰ অৱকাশ নাপায়। সেয়ে শিশুসকলৰ প্ৰকৃততে যি প্ৰয়োজন তাৰ পৰিবৰ্তে এটা জটিল প্ৰক্ৰিয়াৰ দ্বাৰাহে পৰিৱেশৰ জ্ঞান দান কৰা হয়।

The National Curriculam Framework 205 (NCF2005)য়ে পৰিৱেশ অধ্যয়নৰ একক চৰিত্ৰবোৰ চিনাক্ত আৰু ৰূপায়ণৰ বাবে ব্যৱস্থা লৈছে। শিশুসকলৰ বাবে পৰিৱেশ শিক্ষা শিকন ব্যৱস্থা তেওঁলোকৰ ইচ্ছা আৰু প্ৰাথমিকতাৰ ওপৰত নিৰ্ভৰ কৰিহে কৰোৱা উচিত বুলি মন্তব্য কৰে। তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিহে পাঠ চিনাক্ত কৰণ আৰু অভিজ্ঞতা আহৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়, তেতিয়াহে তেওঁলোকৰ সেই শিক্ষাৰ প্ৰতি আগ্ৰহী হৈ তাক অনুভৱ কৰি, অভিজ্ঞতা আহৰণ কৰি, তেওঁলোকে তেওঁলোকক সমাজৰ অংশীদাৰ বুলি পৰিগণিত হৈ সমাজৰ সম্বন্ধবোৰৰ ওপৰত বিশ্বাস জন্মিব আৰু তেওঁলোক যে সুৰক্ষিত তাৰ মহানুভৱ ঘটিব। (NCF 2005, P 66) আৰু এই অধ্যয়নৰ প্ৰতি আকৰ্ষিত হ'ব বুলি মন্তব্য দিয়ে।

টোকা

**আত্ম মূল্যায়ন - ২**

(ক) তলৰ মন্তব্যবোৰৰ পৰা শুদ্ধ উত্তৰটো বাচি উলিওৱা

শিশুৰ বাবে সাৰ্থক পৰিৱেশ বুলিলে কি কি চৰিত্ৰক বুজায়?

Stimulation, অভিজ্ঞতা, পৰীক্ষা নিৰীক্ষাৰ কোনো থল নাই, অসুৰক্ষিত, বিশ্বাস, মুক্তপ্ৰকাশ, স্থিৰ

(খ) খালী ঠাই পূৰণ কৰা-

শিশুৱে তাৰ একেবাৰে ওচৰৰ পৰিৱেশটোৰ লগতহে সম্বন্ধ স্থাপন কৰে। এই পৰিবেশতোৱেই তাৰ —— শিকনৰ বিষয়। (প্ৰাথমিক/দ্বিতীয়/তৃতীয়)

## ১.৪ শিশুৰ লগত পৰিৱেশৰ সম্পৰ্ক স্থাপন

প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ এই আঠটা বছৰ শিশুৰ চৰিত্ৰ গঠনৰ অত্যন্ত প্ৰয়োজনীয় বছৰ। এই সময়তে তেওঁলোকৰ শাৰীৰিক, মানসিক, যুক্তি, পাৰদৰ্শিতা, সামাজিক, মূল্যবোধ আৰু চৰিত্ৰ গঠনৰ উন্নয়নৰ দ্বাৰা তেওঁলোকৰ জীৱনৰ ভেটি গঠিত হয়। এই সময়তে কেৱল শৈক্ষিক দিশৰ বিকাশৰ লগতে জীৱন সম্বন্ধেও জ্ঞান লাভ হয়। জীৱন সম্বন্ধে শিক্ষা বুলি কওতে আমি আমাৰ চাৰিওফালে থকা পৃথিৱীখনৰ সকলো ধৰণৰ দিশকে সাঙুৰি লৈছো।

দৈন্যতাই শিশুসকলক স্বাস্থ্যৰ বিকাশ আৰু শিক্ষাৰ বিকাশত আটাইতকৈ বেছি বাধা প্ৰদান কৰে যিহেতু তেওঁলোক এটা দুখীয়া পৰিৱেশৰ সৈতে যুঁজ দিহে আগবাঢ়িব লাগে। প্ৰদূষণ পৰিৱেশে প্ৰথমেই শিশুসকলক ভুক্তভোগী কৰে। বিষম পৰিৱেশে সিহঁতক দূৰাৱস্থাৰ মুখামুখি কৰায়। তেওঁলোক এজন পৰিপূৰ্ণ ব্যক্তিতকৈ শাৰীৰিকভাৱে, অপৰিপক্ক অংগ-প্ৰতংগ, হজমী শক্তি, চৰিত্ৰ, প্ৰাকৃতিক curasity বৰ্তমান প্ৰচলিত অবনমিত পৰিৱেশ আদি সকলো ক্ষেত্ৰতে বেলেগ। সিহঁতে জন্মৰ আগতেও বিষম পৰিৱেশ পৰিস্থিতিৰো মুখামুখি হ'বলগীয়া হয়।

অন্যহাতেৰে শিশুসকল পৰিৱেশ সংৰক্ষণৰ আটাইতকৈ শক্তিশালী আৰু নিৰবচ্ছিন্ন আহিলা। শিশুহঁতে প্ৰকৃতিত প্ৰাকৃতিক ভাবে থাকি ভাল পায় সেয়ে তেওঁলোকক পৰিৱেশ সংৰক্ষণৰ মূল আহিলা কৰি শিকাই বুজাই ল'ব পাৰি। তেওঁলোকক সহজেই পৰিৱেশৰ কামত ব্যৱহাৰ কৰি যথোপযুক্ত ফলাফল লাভ কৰিব পাৰি।

পুৰণি কালৰ পৰাই শিশু আৰু প্ৰকৃতিৰ সম্বন্ধ আন্তঃৰাষ্ট্ৰীয়ভাৱে সমৰ্থিত হৈ আহিছে তাৰে ভিতৰত তলত কেইটামান উল্লেখ কৰা হ'ল ঃ



টোকা

- **শিশুৰ অধিকাৰ (১৯৮৯)ৰ ওপৰত মতামত ঃ**
  ⇨ বেমাৰ আৰু অপুষ্টিকাৰক আহাৰ গ্ৰহণৰ দ্বাৰা দেখা দিয়া অসুবিধাবোৰ প্ৰাথমিক চিকিৎসাৰ অন্তৰ্ভুক্তিৰ দ্বাৰা দূৰ কৰিবলৈ চেষ্টা।
- **শিশু উন্নয়নৰ বাবে আৰু survivalৰ বাবে কাৰ্যপন্থা হাতত লোৱা (১৯৯০)**
  ⇨ বেমাৰ আৰু অপুষ্টিৰ কাৰকবোৰৰ হ্ৰাস ঘটাই শিক্ষাৰ অগ্ৰগতি ঘটোৱা।
- **বসবাস পন্থা (১৯৯০) শিশু বা ডেকাসকলক তেওঁলোকৰ পাৰিপাৰ্শ্বিকতাৰ অনুযায়ী বসবাস প্ৰক্ৰিয়াটোক সম্পূৰ্ণৰূপে প্ৰাথমিক স্থান দিয়া।**
- **অষ্টম পৰিকল্পনাত শিশুৰ পাৰিপাৰ্শ্বিকতাৰ স্বাস্থ্য (১৯৯৭)ৰ বাবে পৰিবেশৰ নেতা নিৰ্বাচিত কৰা।**
  ⇨ শিশুসকল প্ৰদূষণৰ দ্বাৰা সোণকালে প্ৰভাবান্বিত হয়। ইয়াক হ্ৰাস কৰাৰ প্ৰধান উপায় হৈছে প্ৰদূষণৰ নিবাৰণ আৰু মুক্ত বিচৰণত বাধা প্ৰদান কৰা

## ● Environment Ministers Communigme (2001)

শিশুহঁতক সুৰক্ষিত পৰিৱেশ প্ৰদান কৰিবলৈ আঁচনি প্ৰস্তুত আৰু ৰূপায়ণ কৰা হৈছে। এই ক্ষেত্ৰত শিশুৰ, গৰ্ভস্থ আৰু জন্মৰ পাছৰ দুয়োটা অৱস্থা অন্তৰ্ভুক্তি কৰা হৈছে।

- ইউৰোপ আৰু মধ্য এছিয়াৰ শিশুহঁতৰ বাবে লেবা বাৰ্লিন মন্তব্য (২০০১)।

সকলো তৰপৰ সামাজিক আৰু অৰ্থনৈতিক গ্ৰুপৰ শিশুহঁতে সন্মুখীন হোৱা কঠোৰ পৰিৱেশৰ পৰা ৰক্ষা কৰা, গাঁও বা চহৰৰ শিশুহঁতৰ বাবে ঘৰ বা স্থানীয় লোকৰ দ্বাৰা informal শিক্ষা লাভৰ ব্যৱস্থা কৰা বা খেল-ধেমালি শিকোৱাৰ ব্যৱস্থা কৰা।

মে' ২০০২ চনত United nation General Assemblyৰ শিশুহঁতৰ সুৰক্ষাৰ বাবে বহা বিশেষ আলোচনা মৰ্মে পৃথিৱীৰ নেতাসকলে স্বীকৃতভাৱে কিছুমান প্ৰধান কাম চিনাক্ত কৰি কাম হাতত লয়- ইয়াৰ ১০টা প্ৰদান কাম হৈছে—

- কোনো শিশু বাদ নপৰা
- প্ৰত্যেক শিশুক প্ৰাথমিকতা প্ৰদান কৰা
- প্ৰত্যেক শিশুৰে যত্ন লোৱা
- এইচ আই ভি/এইডছৰ বিৰুদ্ধে কাম হাতত লোৱা
- শিশুৰ প্ৰতাৰণা বা আঘাত বন্ধ কৰা
- শিশুৰ প্ৰতি মনোযোগ দিয়া
- প্ৰত্যেক শিশুৰ শিক্ষাৰ যত্ন লোৱা



টোকা

- যুদ্ধৰ পৰা শিশুক বিৰত ৰখা
- শিশুহঁতৰ বাবে পৃথিৱীখন সুৰক্ষিত কৰি ৰখা
- শিশুৰ বাবে জমা কৰা আৰু দৰিদ্ৰতা নিবাৰণ কৰা

ঘন বসতিপূৰ্ণ চহৰবিলাকত স্বাভাৱিকতেই পৰিৱেশৰ স্খলন ঘটে আৰু আবৈবিক অস্বাভাৱিকতাৰ সৃষ্টি হয় যাৰ ফলত সোচৰা ৰোগ অতি সোনকালে বিয়পি পৰি দুখীয়াসকলক অতি সহজে আক্ৰান্ত কৰে। বায়ু, পানী আৰু মাটিৰ প্ৰদূষণে ধনী-দুখীয়া সকলোকে সমানে সামৰি লয়। অৱশেষত অপৰিপাটি পৰিৱেশে তেওঁলোকৰ শিক্ষা-দীক্ষাতো প্ৰভাৱ পেলায়।

## ১.৫ শিকনত পৰিৱেশৰ প্ৰভাৱৰ মূল্যবোধ ঃ

শিকনৰ ক্ষেত্ৰত পৰিৱেশে উল্লেখযোগ্য ভূমিকা লয়। শিশুসকল অনবৰতে পৰিবেশৰ কোলাত বিচৰণ কৰি থাকে। পৰিৱেশৰ সকলো বস্তুৱে সিহঁতক আকৰ্ষিত কৰে। পৰিৱেশৰ বিভিন্ন বস্তু তেওঁলোকে আবিষ্কাৰ আৰু পৰীক্ষা-নিৰীক্ষা কৰে আৰু তাৰ পৰা তেওঁলোকে নিজাববীয়াকৈ অৰ্থ বিচাৰি লয়। সময়ৰ লগে লগে যেতিয়া তেওঁলোক নতুন পৰিৱেশৰ মুখামুখি হয় তেওঁলোকে পুৰণা অৰ্থৰ লগত নতুন সংযোজন কৰি গৈ থাকে। এনেকৈয়ে পৰিৱেশে শিশুহঁতক শাৰীৰিক আৰু মানসিকভাৱে পৰিপুষ্ট কৰি গৈ থাকে। এইদৰে শিশুসকলে তেওঁলোকৰ নিচেই কাষতে থকা পৰিৱেশৰ পৰা লাভ কৰা শিক্ষাক আগত ৰাখি তেওঁলোকৰ বাবে যুগুত কৰা পৰিৱেশ শিক্ষাৰ প্ৰকৃত মাহাত্ম্যৰ উন্নয়ন ঘটাব পৰা যায়।

২০০৫ চনত NCF শিশু শিক্ষাৰ পৰিৱেশ অধ্যয়নৰ জটিল দিশবিলাক চিনাক্ত কৰি চাৰিওকাষৰ পৰিৱেশৰ লগত হোৱা আদান প্ৰদান, প্ৰকৃতি, বস্তু আৰু মানুহ, এই সকলোবোৰ নিজৰ ভাষা আৰু কাম কাজৰ মাজেৰে শিক্ষা দিব লাগে বুলি গুৰুত্ব প্ৰদান কৰে। তেওঁলোকৰ শাৰীৰিকভাৱে কৰা কাম-কাজবোৰৰ দ্বাৰা উদ্ভাৱনমূলক কাম-কাজবোৰৰ দ্বাৰা প্ৰতিজন শিশুৱে সমনীয়াৰ সতে বা ডাঙৰৰ সহায়ত কৰা আদান প্ৰদান, ভাষাৰ সহায়ত কৰা আদান প্ৰদান যেনে — পঢ়া, প্ৰকাশ বা সোধা, শুনা আদি প্ৰধান প্ৰক্ৰিয়াবোৰৰ দ্বাৰা শিক্ষা প্ৰদানৰ দ্বাৰাহে শিক্ষণ প্ৰক্ৰিয়াই সুফল লাভ কৰে বুলি মত প্ৰকাশ কৰে। আৰু যি দিশত তেওঁলোকে শিক্ষা গ্ৰহণ কৰিব তাক NCF cognitive segnificance (NCF ২০০৫, পৃঃ ১৮) বুলি বুজিব লাগিব।



টোকা

NCF ২০০৫, (পৃঃ ১৫) ঃ এ শিশু শিক্ষাত পৰিৱেশৰ ৰয়োজনীয়তাৰ ক্ষেত্ৰত তলত দিয়া কথাকেইটাৰ ওপৰত জোৰ দিয়ে—

- প্ৰত্যেক শিশু নিজৰ চৰিত্ৰ অনুসাৰে শিকিব পাৰে বা শিকিব বিচাৰে।
- যুক্তিযুক্ত চিন্তাধাৰা, প্ৰতিফলন আৰু কাম-কাজৰ ক্ষমতা এই তিনিটা কাৰণেই শিক্ষাৰ ক্ষেত্ৰত মুখ্য ভূমিকা লয় সেয়ে ইয়াৰ অৰ্থপূৰ্ণ ব্যৱহাৰ আৰু বিকাশৰ ব্যৱস্থা কৰা।
- শিশুৱে বিভিন্ন প্ৰকাৰে শিকে— অভিজ্ঞতা দ্বাৰা, হাতে কামে, পৰীক্ষা-নিৰীক্ষা, পঢ়ি, আলোচনা, সুধি, শুনি, ভাবি আৰু নিজৰ ভাষাত প্ৰকাশ আৰু প্ৰতিফলন কৰি, লিখি, ব্যক্তিগতভাৱে বা অন্যৰ লগত থাকি। এই সকলো সুবিধা তেওঁলোকে পালেহে তেওঁলোকৰ বিকাশ ঘটাব পাৰি।
- স্কুল আৰু স্কুলৰ বাহিৰ দুয়োটা ঠাইৰ পৰা শিশুৱে শিকে। এই দুয়োটাৰ মাজত যদি আদান প্ৰদান হয় তেতিয়াহ'লে শিশুৰ শিক্ষা আৰু বেছি ফলপ্ৰসূ হয়। সেয়েহে শিশুক তেওঁলোকৰ চাৰিকাষৰ পৰিৱেশৰ জ্ঞান লাভৰ সুবিধা প্ৰদান কৰিব লাগে, শাৰীৰিক আৰু মানসিক বিকাশ ঘটাবলৈ তেওঁলোকৰ উৎসুকতাবোৰ ধৈৰ্য সহকাৰে উত্তৰ দিব লাগে, তেওঁলোকক প্ৰশ্ন সুধিব দিব লাগে, পৰ্যবেক্ষণ কৰিব দিব লাগে আৰু তেওঁলোকে লাভ কৰা শিক্ষাখিনি আভাষ দিব লাগে তেতিয়াহে তেওঁলোকৰ এক সুস্থ শিক্ষা পাব বুলি আশা কৰিব পাৰি।

এইখিনিয়ে পৰিৱেশ শিকন শিক্ষণৰ মূলমন্ত্ৰ। অভিজ্ঞতাপুষ্ট ব্যক্তি হিচাপে আপুনি প্ৰয়োজনীয় পৰিৱেশ গঠন কৰি শিশুহঁতৰ শিক্ষাৰ উন্নয়ন, তেওঁলোকৰ মনোভাবৰ উন্নয়ন ঘটাই শিক্ষাটোক এটা জীৱনযোৰা ঘটনালৈ পৰিবৰ্তন কৰিব বুলি আশা কৰা হৈছে। এইখিনিয়ে শিক্ষাৰ সুস্থ উন্নয়নৰ মুখ্য উদ্দেশ্য বুলি ধৰি লোৱা হৈছে।

## ১.৬ সাৰমৰ্ম ঃ

পৰিৱেশ শব্দটো বেলেগ বেলেগ ধৰণে ব্যৱহাৰ কৰা হয়। এতিয়ালৈকে আমি যি শিকিলো তাৰ পৰা পৰিৱেশক এখন ডাঙৰ চিত্ৰ, নিজৰ পৰা আৰম্ভ কৰি আমাৰ চাৰিওফালৰ পৃথিৱীৰ সকলো বস্তুকে আবৰি লোৱা হৈছে।

- পৰিৱেশ এটা জটিল আৰু নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া
- পৰিৱেশে প্ৰাকৃতিক, মানুহৰ দ্বাৰা তৈয়াৰী আৰু সামাজিক-সাংস্কৃতিক দিশবোৰ আগুৰি আছে।



টোকা



- পৰিৱেশ শিক্ষাই অন্যসকলো বিষয় আৰু শাখাকে আবৰি আছে।
- শিশু শিক্ষাৰ প্ৰাথমিক দিশেই হৈছে পৰিৱেশ। সেয়েহে তেওঁলোকক তেওঁলোকৰ নিচেই ওচৰৰ পৰিৱেশৰ পৰা শিক্ষা লাভ কৰিবলৈ সুযোগ দি তাৰ লগত হোৱা আদান-প্ৰদান আৰু অভিজ্ঞতাৰ আধাৰত নিজক পুষ্ট কৰিব দিব লাগে।
- ২০০৫ চনত NCFএ শিশু শিক্ষাত পৰিৱেশৰ জটিল দিশবোৰ চিনাক্ত কৰি উলিয়ায়।

## ১.৭ চানেকী উত্তৰৰ সহায়ত নিজৰ মূল্যায়ন ঃ

**মূল্যায়ন - ১**

(ক) থূলমূল, নিৰবচ্ছিন্ন, কাষৰীয়া, Dynamic, আবৃত, জৈৱিক আৰু অজৈৱিক।

(খ) এটাও নহয়

**মূল্যায়ন - ২**

(ক) Stimulation, অভিজ্ঞতা, Warnth, বিশ্বাস, মুখ্য ব্যাখ্যা

(খ) প্ৰাথমিক

## ১.৮ পঠন আৰু প্ৰাসংগিক পুথিৰ বাবে পৰামৰ্শ ঃ


- NCERT (2005) National Curriculum Framework 2005, New Delhi
- Syllabus for classes at the Elementary Level, NCERT, New Delhi.
- http:// www.unesco.org/mab/ind
- http:// www.greenteacher.org
- www.unep.org/ceh/chapter01.pdf


## ১.৯ পাঠগোট প্ৰশ্ন ঃ

(i) শিকনৰ মুখ্য প্ৰক্ৰিয়া কেইটা কি কি?

(ii) শিকনৰ মুখ্য প্ৰক্ৰিয়া কেইটা পৰিৱেশৰ লগত কিদৰে জড়িত।